**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-07-2024
**Time :** 0705 Hrs.

***Assamese Morning Bulletin***
***HEADLINES***

১।	উচ্চতম ন্যায়ালয়ে চলিত বৰ্ষৰ নীট ইউ-জি বাতিল কৰিবলৈ আৰু নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিবলৈ অস্বীকাৰ কৰিছে।
২।	শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীট সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ৰ প্ৰতি আদৰণি জনাইছে।
৩।	জল জীৱন মিছনে দেশৰ গ্ৰামাঞ্চলৰ ১৫ কোটি পৰিয়াললৈ নলযোগে পানী যোগানৰ সংযোগ প্ৰদান কৰি ঐতিহাসিক সাফল্য অৰ্জন কৰিছে।
৪।	ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী ডেভিদ লেমি আজি দুদিনীয়া ভাৰত ভ্ৰমণসূচীৰে দিল্লীত উপস্থিত হ'ব।

*আৰু*

৫।	ভাৰতে  নেপালক পৰাস্ত কৰি মহিলাৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

উচ্চতম ন্যায়ালয়ে চলিত বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা নীট ইউ-জি বাতিল কৰিবলৈ আৰু নতুনকৈ পৰীক্ষা অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিবলৈ অস্বীকাৰ কৰিছে। ইয়াৰ ফলত সমগ্ৰ দেশৰ চৰকাৰী আৰু ব্যক্তিগত চিকিৎসা মহাবিদ্যালয়সমূহত স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে আজিৰে পৰা পৰামৰ্শ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ পথ প্ৰশস্ত হৈছে।

বিষয়টোৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় নেতৃত্বাধীন এখন তিনিজনীয়া বিচাৰপীঠে কালি কয় যে ৫ মে'ত অনুষ্ঠিত পৰীক্ষাৰ স্বচ্ছতা প্ৰভাৱিত কৰিব পৰাকৈ ব্যৱস্থাগত ত্ৰুটিৰ বাবে প্ৰশ্নকাকত ফাদিল হোৱা বুলি কোনো প্ৰমাণ নাই। বিচাৰপীঠখনে কয় যে চলিত বৰ্ষৰ বাবে পৰীক্ষা নতুনকৈ অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিলে ২০ লাখৰো অধিক শিক্ষাৰ্থীৰ ওপৰত প্ৰভাৱ পৰিব আৰু নামভৰ্তিৰ সূচী বিঘ্নিত হ'ব।

০০০০০

শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে ৰাষ্ট্ৰীয় যোগ্যতা নিৰূপণ তথা প্ৰৱেশ পৰীক্ষা নীট সন্দৰ্ভত উচ্চতম ন্যায়ালয়ে দিয়া ৰায়ৰ প্ৰতি আদৰণি জনাই কৈছে যে অৱশেষত সত্যৰ জয় হ'ল। নীট সন্দৰ্ভত সৰ্বোচ্চ ন্যায়ালয়ৰ ৰায় সম্পৰ্কে সাংবাদিকক সম্বোধন কৰি শ্ৰীপ্ৰধানে কয় যে নৰেন্দ্ৰ মোদী চৰকাৰ স্বচ্ছ, বিসংগতিবিহীন আৰু ত্ৰুটিবিহীন পৰীক্ষা ব্যৱস্থাৰ প্ৰতি বদ্ধপৰিকৰ। তেওঁ কয় যে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন-টি-এক ত্ৰুটিবিহীন সংস্থাৰূপে গঢ়ি তুলিবলৈ চৰকাৰ দায়বদ্ধ। নীট কেলেংকাৰিৰ সৈতে জড়িত কাকোৱে ৰেহাই দিয়া নহ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে কয় যে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাক সম্পূৰ্ণ নতুন ৰূপ

প্ৰদানৰ বাবে এখন উচ্চ পৰ্যায়ৰ কমিটী গঠন কৰা হৈছে আৰু কমিটীখনে ইতিমধ্যে বিশেষজ্ঞৰ মতামত গ্ৰহণ কৰিছে তথা বিভিন্ন আৰ্হিৰ অধ্যয়ন কৰিছে।

শিক্ষামন্ত্ৰীগৰাকীয়ে নীটৰ বিষয় লৈ কংগ্ৰেছক সমালোচনা কৰে আৰু ৰাহুল গান্ধীয়ে ভাৰতীয় শিক্ষা ব্যৱস্থাক লৈ সন্দেহ প্ৰকাশ কৰি দেশৰ জনসাধাৰণক বিপথে পৰিচালিত কৰাৰ চেষ্টা চলোৱা বুলি অভিযোগ তোলে। শ্ৰীগান্ধীয়ে নীটৰ বিষয় লৈ জনসাধাৰণৰ মাজত অশান্তি আৰু অৰাজকতা সৃষ্টি কৰাৰ প্ৰয়াস কৰা বুলিও শ্ৰীপ্ৰধানে অভিযোগ উত্থাপন কৰে। তেওঁ বিৰোধী দলটোৱে ছাত্ৰ-ছাত্ৰীসকলক ক্ষমা খোজা উচিত বুলি মন্তব্য কৰে।

০০০০০

জল জীৱন মিছনে দেশৰ গ্ৰামাঞ্চলৰ ১৫ কোটি পৰিয়াললৈ নলযোগে পানী যোগানৰ সংযোগ প্ৰদান কৰি ঐতিহাসিক সাফল্য অৰ্জন কৰিছে। ২০২৪ চনৰ ভিতৰত গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়ালক নলযোগে পানী যোগানৰ লক্ষ্যৰে ২০১৯ চনত এই অভিযানৰ ঘোষণা কৰা হৈছিল। বিগত পাঁচ বছৰত এই অভিযানৰ অধীনত নলযোগে পানী যোগান লাভ কৰা পৰিয়ালৰ সংখ্যা ৩ কোটিৰ পৰা ১৫ কোটিলৈ বৃদ্ধি কৰা হৈছে।

জল শক্তি মন্ত্ৰী চি আৰ পাটিলে সামাজিক মাধ্যমযোগে কৈছে যে এই সাফল্যই দেশবাসীক অকল বিশুদ্ধ পানীৰ উপহাৰ প্ৰদান কৰাই নহয় বৰং তেওঁলোকৰ জীৱনৰ মানো উন্নত কৰিছে। বৰ্তমানলৈকে ৮খন ৰাজ্য আৰু ৩টা কেন্দ্ৰীয় শাসিত অঞ্চলে পানী যোগানৰ ১০০ শতাংশ লক্ষ্যত উপনীত হৈছে। ইয়াৰ ভিতৰত গোৱা, তেলেংগানা, হাৰিয়ানা, গুজৰাট, পাঞ্জাব, হিমাচল প্ৰদেশ, মিজোৰাম, অৰুণাচল প্ৰদেশ, পুডুচেৰী, দাদ্ৰা-নগৰ হাভেলী দমন আৰু দিউ আৰু আন্দামান নিকোবৰ দ্বীপপুঞ্জ আছে।

০০০০০

দক্ষিণ ইথিওপিয়াত ভূমিস্খলনৰ দুটা ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ২২৯লৈ বৃদ্ধি পাইছে। ঘটনাৰ পাছৰে পৰা ভালেমান লোক সন্ধানহীন হৈ থকাৰ পৰিপ্ৰেক্ষিতত নিহতৰ সংখ্যা আৰু বৃদ্ধি পাব পাৰে বুলি আশংকা কৰা হৈছে। ধাৰাসাৰ বৰষুণৰ বাবে দেওবাৰে নিশা দক্ষিণ ইথিওপিয়াৰ গেজে গোফা জিলাত হোৱা ভূমিস্খলনৰ বাবে ভালেসংখ্যক লোক ধ্বংসস্তূপৰ মাজত আৱদ্ধ হৈ পৰে। সোমবাৰে পুৱা আৱদ্ধ লোকসকলক উদ্ধাৰ কৰাৰ বাবে লোকসকলে আগবাঢ়ি অহাৰ সময়তে আৰু এটা ভূমিস্খলনৰ ঘটনা সংঘটিত হয়। বিষয়াসকলে প্ৰকাশ কৰা মতে ঘটনাত নিহতসকলৰ ভিতৰত ১৪৮গৰাকী পুৰুষ আৰু ৮১গৰাকী মহিলা আছে। দেশখনৰ প্ৰধানমন্ত্ৰী অবি আহমেদে এই ঘটনাত নিহত লোকসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে। পূব আফ্ৰিকীয় দেশখনত বৰষুণৰ বাবে প্ৰায়েই ভূমিস্খলনৰ ঘটনা সংঘটিত হয়।

০০০০০

ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী ডেভিদ লেমি আজি দুদিনীয়া ভাৰত ভ্ৰমণসূচীৰে দিল্লীত উপস্থিত হ'ব। বিদেশ মন্ত্ৰীগৰাকীয়ে ভ্ৰমণ কালত সৰ্বাত্মক কৌশলগত সহযোগিতা সুদৃঢ় কৰা আৰু ভাৰত-ব্ৰিটেইন মুক্ত বাণিজ্য চুক্তি সম্পৰ্কে আলোচনা কৰিব। ব্ৰিটেইনত প্ৰধানমন্ত্ৰী কিৰ ষ্টাৰ্মৰৰ নেতৃত্বত লেবাৰ পাৰ্টীৰ চৰকাৰ গঠন হোৱাৰ পাছত এয়া দুয়োখন দেশৰ মাজত উচ্চ পৰ্যায়ৰ প্ৰথম আলোচনা হ'ব। অভ্যাগত বিদেশ মন্ত্ৰীগৰাকীয়ে আজি বিয়লি বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰক সাক্ষাৎ কৰিব। শ্ৰীলেমিয়ে বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেল আৰু ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালৰ সৈতে আলোচনাত মিলিত হোৱাৰ কথা আছে। তেওঁ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো সাক্ষাৎ কৰিব। ইয়াৰ পূৰ্বে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কিৰ ষ্টাৰ্মৰৰ মাজত ৬ জুলাইত ফোনযোগে হোৱা বাৰ্তালাপৰ সময়ত দুয়োগৰাকী নেতাই উভয় দেশৰ মাজৰ

সহযোগিতা সুদৃঢ় কৰাৰ বাবে আৰু ২০৩০ চনৰ বাবে পৰিকল্পনা সম্পৰ্কে আলোচনা কৰিছিল। প্ৰধানমন্ত্ৰীদ্বয়ে প্ৰতিৰক্ষা, গুৰুত্বপূৰ্ণ তথা নতুন প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তনকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা গভীৰ কৰি তুলিবলৈ সন্মতি প্ৰকাশ কৰিছিল।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে কৈছে যে ২০২৪-২৫ বৰ্ষৰ বাজেটে ভাৰতৰ অৰ্থনৈতিক বিকাশক যুৱশক্তিৰ সৈতে সংলগ্ন কৰাৰ বাবে ইতিহাসত লিপিবদ্ধ হ'ব। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী শ্বাহে কয় যে বাজেটত ৪ কোটি ১০ লাখ যুৱক-যুৱতীক দক্ষতা বিকাশৰ প্ৰশিক্ষণ দিবলৈ দুই লাখ কোটি টকাৰ বৃহৎ পুঁজিৰ ব্যৱস্থা কৰা হৈছে আৰু এক কোটি যুৱক-যুৱতীক শীৰ্ষ ৫০০টা কোম্পানীত বিশ্বমানৰ প্ৰশিক্ষণ প্ৰদানৰ বাবে আন এক যুগান্তকাৰী পদক্ষেপ গ্ৰহণ কৰা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় বাজেটত ঘোষণা কৰা নিয়োগ সম্পৰ্কীয় পদক্ষেপে আনুষ্ঠানিক খণ্ডত চাকৰি সৃষ্টিত অৰিহণা যোগাব। কৰ্মচাৰীৰ ভৱিষ্যত নিধিৰ দৰে আঁচনিৰ সৈতে জড়িত পদক্ষেপে ২ কোটি ৯০ লাখ চাকৰি সৃষ্টি কৰাৰ সম্ভাৱনা আছে আৰু ভাৰতৰ আনুষ্ঠানিক খণ্ডক চাকৰি সৃষ্টিকাৰী যন্ত্ৰলৈ ৰূপান্তৰিত কৰাত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব বুলিও তেঁও আশা প্ৰকাশ কৰে। শ্ৰী শ্বাহে মুদ্ৰা ঋণৰ সীমা ১০ লাখ টকাৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰাৰ বাবে প্ৰধানমন্ত্ৰীক ধন্যবাদ জনাই কয় যে এই সিদ্ধান্তই ভাৰতত ব্যৱসায় আৰম্ভ কৰাৰ প্ৰৱণতা বৃদ্ধি কৰাৰ লগতে ক্ষুদ্ৰ আৰু মহিলা উদ্যোগীসকলকো নিয়োগ সৃষ্টিকাৰী হোৱাৰ পথত আগুৱাই নিব।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী তথা বিজেপিৰ সভাপতি  জে পি নাড্ডাই কয় যে নৰেন্দ্ৰ মোডী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ প্ৰথমখন বাজেটে ভাৰতৰ সৰ্বাংগীন বৃদ্ধি, বহনক্ষম উন্নয়ন আৰু অৰ্থনৈতিক স্থিতিস্থাপকতাৰ প্ৰমাণ হিচাপে থিয় দিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত শ্ৰী নাড্ডাই কয় যে এই দূৰদৰ্শী বাজেটে দেশৰ তাৎক্ষণিক প্ৰয়োজনীয়তাক পুৰণ কৰাৰ লগতে দীৰ্ঘম্যাদী সমৃদ্ধিৰ বাবেও এক শক্তিশালী পৰিকাঠামো নিৰ্মাণ কৰিছে। তেওঁ কয় যে বাজেটত আন্তঃগাঁথনি উন্নয়ন, প্ৰযুক্তিগত উদ্ভাৱন আৰু সমাজ কল্যাণকো অগ্ৰাধিকাৰ দিয়া হৈছে। তেঁও লগতে কয় যে যুগান্তকাৰী নীতি আৰু কৌশলগত বিনিয়োগসমূহে বিকাশৰ গতি ত্বৰান্বিত কৰাৰ লগতে নিয়োগ সৃষ্টিত অৰিহণা যোগাব আৰু সকলো নাগৰিকৰ জীৱনধাৰণৰ মান বৃদ্ধি কৰিব।

০০০০০

কংগ্ৰেছে ২০২৪-২৫বৰ্ষৰ কেন্দ্ৰীয় বাজেটক সমালোচনা কৰি কৈছে যে  বাজেটত সাধাৰণ মানুহক সকাহ প্ৰদানৰ বাবে কোনো ব্যৱস্থা নাই। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টত এইবাৰৰ বাজেট বিজেপিৰ মিত্ৰৰ পক্ষত প্ৰস্তুত কৰা হৈছে বুলি দাবী কৰিছে। দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কয় যে সমগ্ৰ দেশে মুদ্ৰাস্ফীতিৰ সৈতে যুঁজি থকাৰ

সময়তো বাজেটত মুদ্ৰাস্ফীতিৰ সৈতে মোকাবিলা কৰাৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰা নাই। মল্লিকাৰ্জুন খাৰ্গেই যুৱচামৰ বাবে কংগ্ৰেছে প্ৰস্তুত কৰা আঁচনি নকল কৰি বিজেপিয়ে নাম সলনি কৰাৰো অভিযোগ উত্থাপন কৰিছে।

০০০০০

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে বাজেটত ৰে'ল বিভাগৰ বাবে আবণ্টন দিয়া পুঁজিক ঐতিহাসিক বুলি অভিহিত কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত শ্ৰী বৈষ্ণৱে কয় যে ৰে'লৱেৰ বাবে বাজেটত দুই লাখ ৬২ হাজাৰ ২০০ কোটি টকাৰ আৱন্টন দিয়া হৈছে আৰু ইয়াৰ দ্বাৰা ৰে'ল বিভাগে বৃহৎ উত্থান লাভ কৰিব। তেঁও লগতে কয় যে বাজেটত এক লাখ ৮ হাজাৰ কোটি টকা সুৰক্ষা সম্পৰ্কীয় কাম-কাজৰ বাবে ধাৰ্য কৰা হৈছে। ২০১৪ চনত এই পৰিমাণ মাত্ৰ ৩৫ হাজাৰ কোটি টকা আছিল । তেওঁ লগতে কয় যে বাজেটত সুৰক্ষা, সামৰ্থ্য বিকাশ আৰু ৰে'লৱেৰ আন্তঃগাঁথনি উন্নীতকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে নিয়োগ সন্দৰ্ভত কয় যে ইউ পি এৰ দহ বছৰীয়া শাসনকালত মাত্ৰ চাৰি লাখ ১১ হাজাৰ নিযুক্তি দিয়াৰ বিপৰীতে মোডী চৰকাৰৰ ১০ বছৰীয়া কাৰ্যকালত পাঁচ লাখৰো অধিক লোকক নিযুক্তি প্ৰদান কৰা হৈছে। বৈদ্যুতিন আৰু তথ্য যোগাযোগ প্ৰযুক্তি বিভাগৰ মন্ত্ৰী হিচাপে শ্ৰী বৈষ্ণৱে কয় যে শেহতীয়া দহ বছৰত দেশত মোবাইল উৎপাদন খণ্ডই বৃহৎ নিয়োগ সৃষ্টিকাৰী খণ্ড হিচাপে আত্মপ্ৰকাশ কৰিছে আৰু ডিজিটেল ইণ্ডিয়াই প্ৰযুক্তিক সহজলভ্য কৰি তুলিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এই খণ্ডটোৰ ওপৰত আৰোপ কৰা শুল্কৰ পৰিমাণ যুক্তিসংগত কৰি তোলাৰ বাবে বিত্তমন্ত্ৰীগৰাকীক ধন্যবাদ জনায়।ৰ

০০০০০

ভাৰতে কালি শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত মহিলাৰ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত নেপালক ৮২ ৰাণত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। নেপালে ১৭৯ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ৯৬ ৰাণ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ দিপ্তী শৰ্মাই তিনিটা উইকেট দখল কৰাৰ বিপৰীতে ৰাধা যাদৱ আৰু অৰুন্ধতী ৰেড্ডীয়ে দুটাকৈ উইকেট লাভ কৰে।

ইয়াৰ আগেয়ে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ শ্বেফালি বাৰ্মাৰ ৮১ আৰু দয়ালন হেমলতাৰ ৪৭ ৰাণৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেটৰ বিনিময়ত ১৭৮ ৰাণ কৰে। শ্বেফালি বাৰ্মা আৰু হেমলতাই প্ৰথম উইকেটৰ যুটীত ১২২ ৰাণ সংগ্ৰহ কৰে। শ্বেফালি বাৰ্মাক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাৰ গ্ৰুপ এৰ পৰা ভাৰত আৰু পাকিস্তানে ইতিমধ্যে ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে নেপাল আৰু ইউ এ ই প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০

**ঃঃ সমাপ্ত ঃঃ**